# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 23-03-2024
**Time :** 16-45 Hrs

***Assamese Evening Bulletin***

– – – – – – – – – – –

১। লোকসভা নিৰ্বাচনৰ বাবে ৰাজ্যৰ জিলা প্ৰশাসনসমূহে যাৱতীয় প্ৰস্তুতি অব্যাহত ৰখাৰ সমান্তৰালভাৱে নিৰ্বাচনী আচৰণবিধি উলংঘাৰ ঘটনা ৰোধ কৰিবলৈ প্ৰচেষ্টা গ্ৰহণ।

২। সমাগত লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ বিভিন্ন প্ৰান্তত ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান অব্যাহত।

২। দুদিনীয়া ভূটান ভ্ৰমণসূচী সামৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নতুন দিল্লীলৈ প্ৰত্যাৱৰ্তন।

৩। ৰাজ্যৰ বিভিন্ন প্ৰান্তত কাইলৈৰ পৰা শ্ৰীকৃষ্ণৰ দৌল উৎসৱ আৰু ৰঙৰ উৎসৱ ফাকুৱা উদযাপনৰ বাবে প্ৰস্তুতি অব্যাহত আছে।

**আৰু**

৪। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত প্ৰথমখন খেলত দেলহি কেপিটেলছৰ পঞ্জাৱ কিংছক জয়ৰ বাবে ১৭৫ ৰানৰ লক্ষ্য নিৰ্ধাৰণ। আনখন খেল সন্ধিয়া চাৰে ৭ বজাত ছানৰাইজাৰ্ছ হায়দৰাবাদ কলকাতা নাইট ৰাইদাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০

লোকসভা নিৰ্বাচনৰ বাবে ৰাজ্যৰ জিলা প্ৰশাসনসমূহে যাৱতীয় প্ৰস্তুতি অব্যাহত ৰখাৰ সমান্তৰালভাৱে জিলাসমূহত নিৰ্বাচনী আচৰণবিধি উলংঘাৰ ঘটনা ৰোধ কৰিবলৈ প্ৰচেষ্টা গ্ৰহণ কৰিছে।

ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে আজি তিনিচুকীয়াৰ নিৰ্বাচনী প্ৰস্তুতিৰ বুজ লয়। জিলা আয়ুক্তৰ সভাকক্ষত আয়োজিত বৈঠকত তেওঁ জিলাখনৰ নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি গঠন কৰা বিভিন্ন কোষৰ মুৰব্বীসকলৰ সৈতে বৈঠকত মিলিত হয়। তেওঁ প্ৰতিটো কোষৰ কাম-কাজৰ অগ্ৰগতিৰ সমীক্ষা চলাই সন্তুষ্টি প্ৰকাশ কৰে। জিলাখনৰ আয়ুক্ত স্বপ্নীল পালে মুখ্য নিৰ্ব্াচনী বিষয়াগৰাকীক জিলাখনৰ নিৰ্বাচন প্ৰস্তুতি সন্দৰ্ভত অৱগত কৰে। ইফালে জিলাখনৰ নাগৰিকৰ নিৰ্বাচন সংক্ৰান্তীয় অভিযোগ, ওজৰ আপত্তি, পৰামৰ্শ, আদি গ্ৰহণৰ বাবে আজিৰে পৰা এটা হেল্পলাইন নম্বৰ মুকলি কৰা হৈছে। নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ে প্ৰকাশ কৰা

মতে, এতিয়াৰে পৰা পূৰ্বৰ টোলফ্ৰী নম্বৰ ১৯৫০ ৰ উপৰি নতুনকৈ ০৩৬১-২৭২৪ ২২৬ নম্বৰতো জনসাধাৰণে যোগাযোগ কৰিব পাৰিব। জিলাখনৰ অফিচাৰ্ছ ক্লাৱত স্থাপন কৰা নিয়ন্ত্ৰণ কক্ষতো ২৪ ঘণ্টাই চৰকাৰী কৰ্মচাৰী নিয়োজিত থাকিব। শোণিতপুৰ জিলা নিৰ্বাচনী বিষয়াৰ কাৰ্যালয় উদ্যোগত আজি তেজপুৰত বিশেষভাৱে সক্ষম ভোটগ্ৰহণকাৰী বিষয়া-কৰ্মচাৰীসকলৰ প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। জিলাখনৰ আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই প্ৰশিক্ষাৰ্থীসকলৰ সৈতে মত বিনিময় কৰে। ৩৫ গৰাকী বিশেষভাৱে সক্ষম ভোটগ্ৰহণকাৰী বিষয়া কৰ্মচাৰীৰ বাবে আয়োজিত প্ৰশিক্ষণত আয়ুক্তগৰাকীয়ে কয় যে, বিশেষভাৱে সক্ষম বিষয়া কৰ্মচাৰীৰ বাবে শোণিতপুৰ সমষ্টিৰ ৩ টা আদৰ্শ ভোটগ্ৰহণ কেন্দ্ৰত পৰ্যাপ্ত সা-সুবিধাৰ ব্যৱস্থা কৰা হ'ব।

যোৰহাট জিলা আয়ুক্ত কাৰ্যালয়ত আজি জিলা প্ৰশাসন, আবকাৰী বিভাগ আৰু অনুজ্ঞা থকা বিলাতী সুৰা ব্যৱসায়ীসকলৰ এখন বৈঠক অনুষ্ঠিত হয়। লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত নিৰ্বাচনী আচৰণ বিধি ৰূপায়ণৰ প্ৰতি লক্ষ্য ৰাখি জিলা আয়ুক্তই সুৰা ব্যৱসায়ীসকলক সতৰ্কতাৰে সকলো নীতি-নিয়ম মানি চলিবলৈ নিৰ্দেশ দিয়ে। নিৰ্ধাৰিত পৰিমাণতকৈ অধিক সুৰা বিক্ৰী কৰাৰ পৰা বিৰত থকা, ২১ বছৰ অনুৰ্ধৰ লোকক সুৰা বিক্ৰী নকৰা, বিপণীসমূহৰ সন্মুখত সুৰাপানৰ অপকাৰিতা সম্পৰ্কে সতৰ্কতা বাণী লিখি ৰখাৰ লগতে সুৰা ব্যৱসায়ী প্ৰতিষ্ঠানসমূহ ২৪ ঘণ্টাই চিচিটিভি নিৰীক্ষণত ৰাখিবলৈ কোৱা হৈছে। জিলাখনৰ সীমান্তৱৰ্তী অঞ্চলসমূহৰ পৰা যাতে অবৈধ সুৰা চুবুৰীয়া ৰাজ্যলৈ সৰবৰাহ নহয়, তাৰ প্ৰতি লক্ষ্য ৰাখিবলৈ আবকাৰী বিভাগক নিৰ্দেশ দিয়া হৈছে। এই বৈঠকত জিলা প্ৰশাসন, আৰক্ষী প্ৰশাসন আৰু আবকাৰী বিভাগৰ বিষয়াসকল উপস্থিত থাকে। যোৰহাট জিলা আয়ুক্ত কাৰ্যালয়ত আজি জিলাখনৰ নিৰ্বাচনত নিয়োজিত ৭০ গৰাকী মাইক্ৰ' অবজাৰ্ভাৰক প্ৰথম পৰ্যায়ৰ প্ৰশিক্ষণ প্ৰদান কৰা হয়। এই প্ৰশিক্ষণত বিষয়াসকলক নিজ নিজ এলেকাৰ ভোটগ্ৰহণ কেন্দ্ৰসমূহত বিদ্যুৎ সেৱা, শৌচাগাৰ, খোৱাপানী, আঁচবাব আৰু বিশেষভাৱে সক্ষম লোকসকলৰ বাবে পৰ্যাপ্ত সা-সুবিধা আছেনে নে নাই পৰ্যবেক্ষণ কৰিবলৈ আহ্বান জনোৱা হয়। তদুপৰি ভোটগ্ৰহণ কেন্দ্ৰসমূহত ভোটদাতাসকলৰ ভোটৰ গোপনীয়তা ভংগ নোহোৱাটো নিশ্চিত কৰিবলৈও আহ্বান জনোৱা হৈছে। এই প্ৰশিক্ষণত ই ভি এমৰ ব্যৱহাৰ সন্দৰ্ভতো অৱগত কৰা হয়। যোৰহাট জিলাত নিৰ্বাচনী আচৰণ বিধি অনুসৰি কোনো ব্যক্তিয়ে প্ৰিণ্টাৰ আৰু প্ৰকাশকৰ নাম, ঠিকনা নথকা কোনো নিৰ্বাচনী পুস্তিকা বা পোষ্টাৰ প্ৰকাশ কৰিব নোৱাৰিব। আনহাতে, এনে পুস্তিকা যিখন জিলাত ছপা কৰা হয় সেই জিলাৰ দণ্ডাধীশক জমা দিব পাৰিব।

কৰিমগঞ্জ জিলাত নিৰ্বাচনৰ বিভিন্ন কৰ্তব্যত নিয়োজিত ৰাজ্য চৰকাৰৰ অধীনস্থ সকলো কাৰ্যালয়, ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান আৰু শিক্ষানুষ্ঠানৰ মুৰববী চৰকাৰী  বন্ধৰ দিনটো কাৰ্যালয় আৰু শিক্ষানুষ্ঠান খোলা ৰাখিবলৈ কোৱা হৈছে।

ইপিনে, গোলাঘাটৰ সৰুপথাৰত আজি আৰক্ষী নিৰীক্ষণকাৰী দলে অভিযান চলাই এজন ব্যৱসায়ীৰ পৰা নগদ ১০ লাখ টকা জব্দ কৰে। ব্যৱসায়ীজনে প্ৰয়োজনীয় নথি অবিহনে উৰিয়ামঘাট সীমান্তৰ কৰৈ ঘাটলৈ ধনখিনি সৰবৰাহৰ চেষ্টা কৰিছিল। আনহাতে, যোৰহাট লোকসভা সমষ্টিৰ আটাইকেইটা বিধানসভা সমষ্টিতে নিৰীক্ষণকাৰী দল আৰু ফ্লায়িং স্কোৱাডে অভিযান অব্যাহত ৰাখিছে। এই অভিযানত বুজন পৰিমাণৰ নিচাযুক্ত দ্ৰব্য আৰু নগদ ধন জব্দ কৰা হৈছে। এই সন্দৰ্ভত এখন উচ্চস্তৰীয় তদন্ত সমিতি গঠন কৰা হৈছে। সমিতিয়ে জব্দ কৰা ধনখিনি সন্দৰ্ভত তদন্ত কৰি প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব। আৰক্ষীৰ বিশেষ টাস্ক ফ'ৰ্চে আজি গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয়ৰ বিপৰীত দিশে থকা খানাপাৰা বাছ আস্থানত অভিযান চলাই মাদক দ্ৰব্যসহ তিনিটা সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে।

লখিমপুৰ লোকসভা সমষ্টিৰ বাবে নিৰ্বাচনী ব্যয় পৰ্যবেক্ষক হিচাপে নিয়োজিত কেভিন বোবান আজি জিলাখনত উপস্থিত হয়। নিৰ্বাচনী ব্যয় সম্পৰ্কীয় যিকোনো  বিষয় বা অভিযোগ সম্পৰ্কত পৰ্যবেক্ষকগৰাকীক ৬০০০ ৬৯৩০৬৭ নম্বৰত ফোন কৰি জনাব পাৰিব।

০০০০

দেশৰ নিৰ্বাচন আয়োগে নিৰ্বাচন স্বচ্ছ, মুক্ত আৰু নিকাকৈ পৰিচালনাৰ বাবে চি ভিজিল নামৰ এটা উদ্ভাৱনীমূলক মোবাইল এপ্লিকেশ্বন ব্যৱহাৰ কৰি আহিছে। চি ভিজিল অৰ্থাৎ ভিজিলেণ্ট ছিটিজেন শীৰ্ষক এই এপ্লিকেশ্বনৰ সহায়ত জনসাধাৰণে নিজৰ মোবাইলত সহজে নিৰ্বাচনী আচৰণ বিধি উলংঘা সম্পৰ্কীয় ঘটনাৰ তথ্য, দৃশ্য বা শ্ৰব্যৰূপতো আয়োগক প্ৰদান কৰিব পাৰে। এই এপটোৰ বিশেষত্ব হৈছে ইয়াৰ সহায়ত স্বতঃস্ফুতভাৱে নিৰ্দিষ্ট স্থানৰ পৰা পোনপতীয়াকৈ ফটো বা ভিডিঅ'হে পঠিয়াব পৰা যায়। ইয়াৰ ফলত ফ্লাইং স্কোৱাদ বা নিৰীক্ষণকাৰী আৰক্ষীৰ দলসমূহে এনে  ঘটনা ততালিকে ধৰা পেলোৱাৰ বাবে সমল লাভ কৰে। যিকোনো এনড্ৰইদ মোবা্ইল বা স্মাৰ্ট ফোনত এই এপটো ডাউললোড কৰি জনসাধাৰণে সহজে ব্যৱহাৰ কৰিব পাৰে। তেওঁলোকে লগতে যিকোনো ধৰণৰ ৰাজনৈতিক অসাধু আচৰণ, ভোটাৰক প্ৰলোভিত কৰিবলৈ সামগ্ৰী প্ৰদান বা বিভিন্ন ধৰণে প্ৰৰোচিত কৰাৰ প্ৰমাণ এই এপযোগে প্ৰেৰণ কৰিব পাৰে। এই এপটোৱে জিলা নিয়ন্ত্ৰণ কক্ষ, নিৰ্বাচনী ৰিটাৰ্ণিং বিষয়া আৰু নিৰ্বাচন পৰিচালনাৰ বাবে  বহিঃক্ষেত্ৰত নিয়োজিত বিভিন্ন গোট যেনে- ফ্লাইং স্কোৱাদ, নিৰীক্ষণ দল আদিক তথ্য প্ৰেৰণ কৰে। জনসাধাৰণে ইয়াৰ বাবে এনে আইন উলংঘাকাৰী ঘটনাৰ ফটো বা ২ মিনিটৰ ভিডিঅ' এপযোগে আপলোড কৰি এনে অবাঞ্চিত ঘটনা ৰোধ কৰিব পাৰে। এই ক্ষেত্ৰত তথ্য প্ৰেৰণ কৰোতাগৰাকীৰ নাম পৰিচয় আদি গোপনে ৰখা হব বুলিও আয়োগে প্ৰতিশ্ৰুতি দিয়ে।

এই এপৰ ব্যৱহাৰ সন্দৰ্ভত ৰাজ্যৰ উপ মুখ্য নিৰ্বাচনী বিষয়া গায়ত্ৰী শৰ্মাই এইদৰে কয়।

ভইছ

০০০০

সমাগত লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ বিভিন্ন প্ৰান্তত ৰাজনৈতিক দলসমূহে প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে। যোৰহাট লোকসভা সমষ্টিৰ অন্তৰ্গত নাজিৰা বিধানসভা সমষ্টিৰ বিভিন্ন প্ৰান্তত ভাৰতীয় জাতীয় কংগ্ৰেছৰ যোৰহাট লোকসভা সমষ্টিৰ প্ৰাৰ্থী গৌৰৱ গগৈয়ে আজি নিৰ্বাচনী প্ৰচাৰ চলায়। আনহাতে সমষ্টিটোৰ বিজেপি দলৰ প্ৰাৰ্থী তপন কুমাৰ গগৈয়ে শিৱসাগৰ জিলাৰ চাৰিঙত নিৰ্বাচনী প্ৰচাৰ অভিযানত অংশগ্ৰহণ কৰে। প্ৰচাৰ সভাত বিজেপি নেতা পীযুষ হাজৰিকাই দলীয় প্ৰাৰ্থীগৰাকীক ভোট দিবলৈ আহ্বান জনায়। সভাত বিজেপি নেত্ৰী তথা মন্ত্ৰী অজন্তা নেওগ, সাংসদ পল্লৱলোচন দাস, বিধায়ক দিগন্ত কলিতাকে ধৰি দলৰ বহুকেইগৰাকী জ্যেষ্ঠ নেতা উপস্থিত থাকে। পাছত সংবাদ মাধ্যমৰে সৈতে হোৱা বাৰ্তালাপত প্ৰাৰ্থী গগৈয়ে অহা ২৭ মাৰ্চত মনোনয়ন পত্ৰ দাখিল কৰিব বুলি জানিবলৈ দিয়ে।

ইপিনে বাক্সা জিলাৰ বৰবৰীত আগন্তুক লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত প্ৰচাৰ অভিযান আৰম্ভ হৈছে। কোকৰাঝৰ লোকসভা সমষ্টিৰ বাবে আজি বৰবৰীত নিৰ্বাচনী সভা অনুষ্ঠিত হয়। ইউপিপিএলৰ দিহিৰা ব্লক কমিটীৰ উদ্যোগত অনুষ্ঠিত এই নিৰ্বাচনী সভাত ইউপিপিএল নেতা, মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম, বিটিআৰৰ অধ্যক্ষ কাতিৰাম বড়ো, প্ৰাৰ্থী জয়ন্ত বসুমতাৰীয়ে অংশগ্ৰহণ কৰে।

দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ কংগ্ৰেছ মিত্ৰজোঁটৰ প্ৰাৰ্থী মাধৱ ৰাজবংশীয়ে ৰঙিয়াৰ ৰাজীৱ ভৱনত দলীয় নিৰ্বাচনী কাৰ্যালয় মুকলি কৰি প্ৰচাৰ কাৰ্যসূচীৰ আনুষ্ঠানিক উদ্বোধন কৰে। অনুষ্ঠানত দলৰ বহুকেইগৰাকী নেতাৰ লগতে অসম জাতীয় পৰিষদ, চিপিএমৰ নেতাই অংশগ্ৰহণ কৰে।

অসম গণ পৰিষধৰ সভাপতি অতুল বৰা আৰু কাৰ্যকৰী সভাপতি কেশৱ মহন্তই শোণিতপুৰত এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। দুয়োজন নেতাই লোকসভা সমষ্টিটোৰ এন ডি এৰ প্ৰাৰ্থী ৰঞ্জীত দত্তৰ হৈ প্ৰচাৰ চলায়।

ইফালে আম আদমী পাৰ্টীৰ ৰাষ্ট্ৰীয় মুখপাত্ৰ তথা দিল্লীৰ বিধায়ক দিলীপ পাণ্ডেই আজি অসমৰ বাবে দলৰ লোকসভা নিৰ্বাচনৰ গেৰাণ্টি কাৰ্ড মুকলি কৰে। তেওঁ ডিব্ৰুগড়ত দলৰ ৰাজ্যিক নেতাসকলৰ লগতে সমষ্টিটোৰ দলীয় প্ৰাৰ্থী মনোজ ধানোৱাৰে এই গেৰাণ্টী কাৰ্ড মুকলি কৰে। গেৰাণ্টী কাৰ্ডত শিক্ষা, স্বাস্থ্যসেৱা, সামাজিক-সাংস্কৃতিক, চাহশিল্প, কৰ্মসংস্থাপন আৰু বান প্ৰতিৰোধ বিষয় সম্পৰ্কত বিভিন্ন প্ৰতিশ্ৰুতি প্ৰদান কৰে।

০০০০

দুদিনীয়া ভ্ৰমণসূচীৰে চুবুৰীয়া ৰাষ্ট্ৰ ভূটানলৈ যোৱা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নতুন দিল্লীলৈ প্ৰত্যাৱৰ্তন কৰিছে। আজি পুৱা প্ৰধানমন্ত্ৰী শ্ৰীমোদী আৰু ভূটানৰ প্ৰধানমন্ত্ৰী টৱগে ভাৰত চৰকাৰৰ দ্বাৰা নিৰ্মিত থিম্ফুৰ গিয়ালচুৰেন জেটচুন পেমা মাদাৰ এণ্ড চাইল্ড অত্যাধুনিক চিকিৎসালয়খন উদ্বোধন কৰে। ১৫০ খন বিছনাযুক্ত চিকিৎসালয়খন উন্নয়নৰ বাবে ভাৰতে দুটা পৰ্যায়ত সহযোগিতা আগবঢ়াইছে। প্ৰথম পৰ্যায়ত ২২ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা চিকিৎসালয়খন ২০১৯ চনৰ পৰা কাৰ্যক্ষম হৈ আছে। দশম পঞ্চবাৰ্ষিক পৰিকল্পনাৰ অংশ হিচাপে ২০১৯ চনত ১১৯ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণকাৰ্য আৰম্ভ কৰা দ্বিতীয় পৰ্যায়ৰ কাম বৰ্তমান সম্পূৰ্ণ হৈছে। এই চিকিৎসালয়খনৰ নিৰ্মাণে ভূটানৰ স্বাস্থ্য সেৱাৰ ক্ষেত্ৰত এক নতুন দিগন্তৰ সূচনা কৰিছে। বৰ্তমান চিকিৎসালয়খনত শিশু, স্ত্ৰী ৰোগ আৰু প্ৰসূতি বিজ্ঞান, অস্ত্ৰোপচাৰ কক্ষ, নৱজাতক আৰু শিশুৰ যতনৰ বাবে আধুনিক সুবিধা উপলব্ধ হ'ব। বিদেশ মন্ত্ৰালয়ে কয় যে, এই চিকিৎসালয়খনে ভাৰত আৰু ভূটানৰ স্বাস্থ্য সেৱাৰ ক্ষেত্ৰত অংশীদাৰিত্বৰ এটা উদাহৰণ হিচাপে থিয় দিব।

০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত কাইলৈৰ পৰা শ্ৰীকৃষ্ণৰ দৌল উৎসৱ আৰু ৰঙৰ উৎসৱ ফাকুৱা উদযাপনৰ বাবে প্ৰস্তুতি অব্যাহত আছে। ৰাজ্যৰ প্ৰান্তে প্ৰান্তে এই উৎসৱৰ প্ৰস্তুতিৰ বাবে উলহ-মালহৰ পৰিৱেশ বিৰাজ কৰিছে। সত্ৰনগৰী বৰপেটাত কাইলৈৰ পৰা তিনিদিনীয়াকৈ দৌল মহোৎসৱ অনুষ্ঠিত হ'ব। সত্ৰীয়া পৰম্পৰা অনুসৰি কাইলৈ বহ্নুৎসৱ, ২৫ মাৰ্চত ভৰদৌল আৰু ২৬ মাৰ্চত সুৱেৰী বা ফাকুৱা উদযাপন কৰা হ'ব। এই উপলক্ষে সত্ৰৰ দালান, কীৰ্তন ঘৰ, জগমোহন গৃহ, দৌল মন্দিৰৰ লগতে সত্ৰৰ দেৱালসমূহ চাফচিকুণ কৰি তোলা হৈছে। একেদৰে সত্ৰৰ বিভিন্ন বংশৰা আৰু সম্প্ৰদায়সমূহেও পৰম্পৰা অনুসৰি মহোৎসৱৰ যাৱতীয় কাম-কাজ সম্পন্ন কৰিছে। পৰম্পৰা অনুসৰি সত্ৰৰ বিভিন্ন বংশৰাসমূহে বংশানুক্ৰমিকভাৱে সত্ৰখনৰ একোটা কাম-কাজৰ দায়িত্ব লাভ কৰে। সত্ৰৰ ইতিহাস প্ৰসিদ্ধ দৌল মহোৎসৱৰ পূৰ্বে আজি বৰপেটা চহৰত বিভিন্ন জাতি জনগোষ্ঠীয়ে হোলী গীত পৰিৱেশন কৰি সাংস্কৃতিক সমদল উলিয়ায়।

নগাঁও জিলাৰ ইতিহাস প্ৰসিদ্ধ শ্ৰীশ্ৰীবাসুদেৱ থান নৰোৱা সত্ৰত দৌল উৎসৱ পালনৰ বাবে উদযাপন সমিতিয়ে পূৰ্ণগতিত প্ৰস্তুতি চলাইছে। সত্ৰখনত কাইলৈৰ পৰা তিনিদিনীয়া দৌল যাত্ৰা উদযাপন কৰা হ'ব।

এই উৎসৱ উপলক্ষে সত্ৰৰ চৌদিশ নাম প্ৰসংগৰে মুখৰ হৈ উঠাৰ লগতে অন্যান্য অনুষ্ঠানৰ আয়োজন কৰা হ'ব।

উত্তৰ গুৱাহাটীৰ শ্ৰীশ্ৰীদৌলগোবিন্দ মন্দিৰতো পাঁচদিনীয়া বিস্তৃত কাৰ্যসূচীৰে দৌল উৎসৱ উদযাপন কৰা হ'ব। এই উৎসৱ মেষদাহ পৰ্বৰে আৰম্ভ হৈ ধৰ্মীয় শোভাযাত্ৰাৰে সামৰণি পৰিব। উৎসৱৰ অংশ হিচাপে সাংস্কৃতিক অনুষ্ঠান, ভাওনা প্ৰদৰ্শন, যাত্ৰাভিনয় আদিও প্ৰদৰ্শন কৰা হ'ব। ইপিনে কামৰূপ জিলাৰ বিভিন্ন সত্ৰ, মহাপুৰুষজনাৰ জন্মস্থান বটদ্ৰৱা আৰু মাজুলী সত্ৰসমূহতো দৌল উৎসৱ উপলক্ষে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হ'ব বুলি জানিব পৰা গৈছে।

ইপিনে সমাগত দৌল উৎসৱ উপলক্ষে ৰাজ্যৰ চিৰাং, মৰিগাঁও, নগাঁও, কামৰূপ মহানগৰ, কামৰূপ আৰু গোৱালপাৰা জিলাত স্থানীয় বন্ধৰ দিন ঘোষণা কৰা হৈছে।

০০০০

দিল্লীৰ এখন আদালতে সুৰা নীতি গোচৰৰ সংক্ৰান্তত মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালক ২৮ মাৰ্চ পৰ্যন্ত বিধি বলৱৎকাৰী সঞ্চালকালয়ৰ জিম্মালৈ প্ৰেৰণ কৰিছে। বৃহস্পতিবাৰে নিশা গ্ৰেপ্তাৰ কৰা কেজৰিৱালক কালি ৰাউজ এভিনিউ আদালতত হাজিৰ কৰোৱাৰ পাছত বিশেষ চি বি আই ন্যায়াধীশ কাবেৰী বাৱেজাই এই নিৰ্দেশ দিয়ে। আদালতত বিধি বলৱৎকাৰী সঞ্চালকালয়ে কেজৰিৱালক সুৰা নীতি কেলেংকাৰীৰ মূল ষড়যন্ত্ৰকাৰী বুলি উল্লেখ কৰি ১০ দিনৰ জিম্মাত বিচাৰে। তদন্তকাৰী সংস্থাটোৱে কয় যে কেজৰিৱাল বৰ্তমান প্ৰত্যাহাৰ কৰা এই সুৰা নীতি প্ৰস্তুত কৰাত পোনপটীয়াকৈ জড়িত আছিল।

বিধি বলৱৎকাৰী সঞ্চালকালয়ে ন্যায়ালয়লৈ নিয়াৰ সময়ত সাংবাদিকে সোধা এটা প্ৰশ্নৰ উত্তৰত আম আদমী পাৰ্টীৰ আহ্বায়কগৰাকীয়ে কয় যে, তেওঁ কাৰাগাৰৰ পৰাই দেশৰ হকে কাম কৰি যাব। বিধি বলৱৎকাৰী সঞ্চালকালয়ে বৃহস্পতিবাৰে বিয়লি গ্ৰেপ্তাৰ কৰাৰ সময়ত আম আদমী পাৰ্টীয়ে অৰৱিন্দ কেজৰিৱাল দিল্লীৰ মুখ্যমন্ত্ৰী হৈ থাকিব বুলি উল্লেখ কৰিছিল। দলে লগতে বিধি বলৱৎকাৰী সঞ্চালকালয় কেন্দ্ৰত শাসনাধিস্থিত বিজেপিৰ ৰাজনৈতিক আহিলাৰূপে পৰিগণিত হোৱা বুলি অভিযোগ তোলে।

০০০০

কেন্দ্ৰীয় মাধ্যমিক শিক্ষা বোৰ্ড চি বি এছ ইয়ে সমগ্ৰ দেশৰ চি বি এছ ই বিদ্যালয়সমূহত কৰা আকস্মিক পৰিদৰ্শনৰ পাছত নকল ছাত্ৰ-ছাত্ৰী উপস্থাপন, অযোগ্য প্ৰাৰ্থী ৰখা আদিৰ ভিত্তিত হোৱা তদন্তৰ অন্তত সমগ্ৰ দেশৰ ২০ খন বিদ্যালয়ক বিচ্ছিন্ন কৰিছে আৰু তিনিখন বিদ্যালয়ৰ গ্ৰেড নিম্নগামী কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। বোৰ্ডৰ পৰা বিচ্ছিন্ন কৰা ২০ খন বিদ্যালয়ৰ তালিকাত গুৱাহাটীৰ ছাই আৰ এন এছ একাডেমীও আছে। বোৰ্ডৰ পৰা বিচ্ছিন্ন কৰা বিদ্যালয়ৰ এই তালিকাত দিল্লীৰ সৰ্বাধিক ৫ খন বিদ্যালয় আছে। গ্ৰেড নিম্নগামী হোৱা তিনিখন বিদ্যালয়ৰ ভিতৰত অসমৰ বৰপেটাৰ শ্ৰী ৰাম একাডেমীও আছে। কালি চি বি এছ ইৰ এখন প্ৰেছ বিজ্ঞপ্তিযোগে এই সিদ্ধান্ত গ্ৰহণৰ বিষয়ে সদৰি কৰা হয়।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত দুখন খেলৰ প্ৰথমখনত দেলহি কেপিটেলছে পঞ্জাৱ কিংছক জয়ৰ বাবে ১৭৫ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। খেলখনত দেলহি কেপিটেলছে নিৰ্ধাৰিত ২০ অভাৰত ৯টা উইকেট হেৰুৱাই ১৭৪ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত পঞ্জাৱ কিংছে বাতৰি যুগুতোৱা পৰলৈকে

১৫ অভাৰত ৪টা উইকেট হেৰুৱাই ১৩০ ৰান সংগ্ৰহ কৰে। সন্ধিয়া চাৰে ৭ বজাত হ'বলগীয়া আনখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদ কলকাতা নাইট ৰাইদাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০

সমাপ্ত